**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-10-2024
**Time :** 12-05 Hrs.

***Assamese Bulletin***
**-----------------------------**

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। শাসকীয় বিজেপিয়ে তিনিটা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ বিপৰীতে কংগ্ৰেছ দলেও চাৰিটা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ইতিমধ্যে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। বিজেপিয়ে ধলাই আসনত নিহাৰ ৰঞ্জন দাস, বিহালীত দিগন্ত ঘাটোৱাৰ আৰু চামগুৰিত দিপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। আনহাতে কংগ্ৰেছ দলে ধলাই সমষ্টিৰ বাবে ধ্ৰুৱজ্যোতি পুৰকায়স্থ, ছিদলী সমষ্টিত সঞ্জীৱ ওৱাৰী, বঙাইগাঁৱত ব্ৰজেনজিৎ সিনহা আৰু চামগুৰি সমষ্টিৰ বাবে তানজিল হুছেইনৰ নাম প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে।

ধলাই সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থই আজি মনোনয়ন পত্ৰ দাখিল কৰিব। সমষ্টিটোত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত আছে।

নগাঁও জিলাৰ চামগুৰি সমষ্টিত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। বিজেপি আৰু কংগ্ৰেছ দলে নিজ নিজ দলীয় প্ৰাৰ্থীৰ হৈ সমষ্টিটোৰ ঠায়ে ঠায়ে প্ৰচাৰ অভিযান ক্ৰমাৎ ব্যাপক কৰি তুলিছে। আনহাতে, ৩২ নম্বৰ বঙাইগাওঁ বিধানসভা সমষ্টিত শেহতীয়াকৈ অগপ দলৰ প্ৰাৰ্থী হিচাপে দীপ্তিময় চৌধুৰীৰ নাম চুড়ান্ত কৰা হৈছে।

একেদৰে ইউপিপিএল দলে কালি ছিদলী বিধানসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী হিচাপে নিৰ্মল কুমাৰ ব্ৰহ্মাৰ নাম ঘোষণা কৰে। একেদৰে, সমষ্টিটোত বিপিএফ দলেও শুদ্ধোধন বসুমতাৰীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। উল্লেখযোগ্য যে বঙাইগাওঁ, ছিদলী, ধলাই, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি জন্মদিন উপলক্ষে নেতাগৰাকীলৈ সামাজিক মাধ্যমযোগে শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰ নিৰ্মাণ আৰু দলৰ ভেটী শক্তিশালী কৰাৰ ক্ষেত্ৰত তেখেতৰ অৱদান অতুলনীয় বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। গৃহমন্ত্ৰীগৰাকীৰ নেতৃত্বত ভাৰতে বাঁওপন্থী উগ্ৰবাদৰ বিৰুদ্ধে নিৰ্ণায়ক যুঁজ দিবলৈ সক্ষম হৈছে আৰু ইয়াৰ জৰিয়তে দেশৰ নিৰাপত্তাই নতুন মাত্ৰা লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, দেশত ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ হৈছে।

০০০০০০০

ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই আজি ২৭ অক্টোবৰত হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অন্তিম পৰ্যায় সন্দৰ্ভত জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে আলোচনাত মিলিত হয়। ২৭ অক্টোবৰত পুৱা চাৰে ৯ বজাৰ পৰা চাৰে ১১ বজালৈ এহেজাৰ

৪৮৪টা আৰু দিনৰ ডেৰ বজাৰ পৰা বিয়লি ৪ বজালৈ ৮০৮টা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব। এই পৰীক্ষাত মুঠ ৮ লাখ ২৭ হাজাৰ ১৩০ গৰাকী প্ৰাৰ্থীয়ে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে কাজানলৈ বুলি ৰাওনা হৈছে। ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত শ্ৰী মোদীয়ে কয় যে, ভাৰতে ইতিমধ্যে গোলকীয় উন্নয়ন কাৰ্যসূচী, সংশোধিত বহুপাক্ষিকতাবাদ, জলবায়ু পৰিৱৰ্তন, অৰ্থনৈতিক সহযোগিতা, শক্তিশালী যোগান শৃংখলা নিৰ্মাণ, সাংস্কৃতিক আৰু জনসম্পৰ্কৰ প্ৰসাৰৰ দৰে বিষয়সমূহক লৈ আলোচনাৰ গুৰুত্বপূৰ্ণ মঞ্চৰূপে পৰিগণিত ব্ৰীকছ ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজৰ ঘনিষ্ঠ সহযোগিতাত গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ কয় যে, যোৱা বছৰ নতুন সদস্যৰ অন্তৰ্ভুক্তিৰে ব্ৰীকছ ৰাষ্ট্ৰগোষ্ঠীৰ সম্প্ৰসাৰণে বিশ্বৰ মংগলৰ হকে সংস্থাটোৰ কাৰ্যসূচী অধিক সৰ্বাত্মক কৰি তুলিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, জুলাইত মস্কোত আয়োজিত বাৰ্ষিক শীৰ্ষ সন্মিলনৰ ভিত্তিত তেওঁৰ কাজান যাত্ৰাই ভাৰত আৰু ৰাছিয়াৰ মাজৰ বিশেষ আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰি তুলিব।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৫ বৰ্ষত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে অনলাইন পোৰ্টেলৰ জৰিয়তে প্ৰপত্ৰ পূৰণৰ দিন ঘোষণা কৰিছে। এই অনুসৰি sebaregistration.org শীৰ্ষক পোৰ্টেলৰ জৰিয়তে কাইলৈৰ পৰা ১৪ নৱেম্বৰলৈ বিদ্যালয়সমূহে প্ৰপত্ৰ পূৰণ কৰিব পাৰিব বুলি পৰিষদৰ সচিবে প্ৰকাশ কৰিছে। ইপিনে, অনলাইন মাচুল পৰিশোধৰ অন্তিম দিন ১৫ নৱেম্বৰ ধাৰ্য কৰা হৈছে। একেদৰে ১৮ নৱেম্বৰ পৰ্যন্ত চালানৰ ধন পৰিশোধ কৰিব পাৰিব। অনলাইন শুধৰণীৰ বাবে ৩০ নৱেম্বৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। প্ৰপত্ৰ পূৰণৰ নিৰ্দেশনাৱলী ৱেবছাইটত পোৱা যাব বুলিও কোৱা হৈছে।

০০০০০০০

**মহানগৰীৰ দিচপুৰ থানাৰ অধীনৰ অন্তিমখন গেটত আজি পুৱা STF ৰ এটা দলে অভিযান চলাই ড্ৰাগছসহ তিনি সৰবৰাহকাৰীক আটক কৰে। ধৃত তিনি সৰবৰাহকাৰী – ৰতন কুমাৰ সিং, সামসাদ আলম আৰু প্ৰদীপ চৌধুৰী। অভিযানত STFৰ দলটোৱে নগদ ধন, দুচকীয়া বাহন, মবাইল ফোন আদিও জব্দ কৰে।**

০০০০০০০

গোলাঘাটৰ জ্যেষ্ঠ সাংবাদিক তথা শিশু সাহিত্যিক বিকাশ শৰ্মাৰ আজি পুৱা দেহাৱসান ঘটে। দীৰ্ঘদিনৰে পৰা সাহিত্যিকগৰাকী দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৮ বছৰ। সাংবাদিক শৰ্মাৰ বিয়োগত বৌদ্ধিক মহলত শোকৰ ছাঁ পৰা পৰিলক্ষিত হৈছে।

০০০০০০০

সমাপ্ত